## ইংৰাজী মাধ্যমৰ শিক্ষাৰ্থী

বৰ্তমান সময়ত প্ৰায় পিতৃ-মাতৃৰে এটি হেঁপাহ/ইচ্ছা নিজৰ সন্তানটিক এখন ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়ুৱাবলৈ। কাৰণ ইংৰাজী নাজানিলে ভৱিষ্যৎ শিক্ষা জীৱনত বহুত সমস্যাই দেখা দিব; বিভিন্ন বাছনি বা প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হওঁতে নাইবা বিভিন্ন বিষয়ত জ্ঞান আহৰণ কৰিব লাগিলে ইংৰাজী ভাষা জনাটো অতি দৰকাৰ। কিন্তু বাস্তৱ ক্ষেত্ৰত ফঁহিয়াই চাবলৈ গ'লে ইংৰাজী মাধ্যমত অধ্যয়ন কৰা সকলো শিক্ষাৰ্থীয়ে সমানে সফলতা অৰ্জন কৰেনে? এই সকলো শিক্ষাৰ্থীয়ে অসমীয়া মাধ্যমত শিক্ষাগ্ৰহণ কৰা শিক্ষাৰ্থীসকলতকৈ সকলো দিশতে বেছি আগবঢ়া হয়নে? উত্তৰটো 'নহয়' বুলি ক'লে নিশ্চয় বঢ়াই কোৱা নহ'ব। কাৰণ কেৱল ইংৰাজী ভাষাটো ক'ব পৰা বা লিখিব পৰা হ'লেই যে সকলো জনা হ'ব তেনেকুৱা কথা নিশ্চয় নহয়। মেধাৱী শিক্ষাৰ্থীসকলে যিকোনো মাধ্যমতে অধ্যয়ন কৰি নিজৰ লক্ষ্যত উপনীত হোৱাত কেতিয়াও বাধাপ্ৰাপ্ত নহয়। কিন্তু সকলো শিক্ষাৰ্থীৰে মেধা কেতিয়াও একে হ'ব নোৱাৰে। দেখা যায় যে ইংৰাজী মাধ্যমত বহুতসংখ্যক শিক্ষাৰ্থীয়ে আটাইকেইটা বিষয়ৰ পাঠৰ জ্ঞান ভালদৰে আয়ত্ত কৰিব নোৱাৰে, কাৰণ তেওঁলোকে ইংৰাজী ভাষাত লিখা বহুতো বাক্যৰ অৰ্থ বুজি নোপোৱাকৈয়ে পাঠ্যক্ৰম শেষ কৰিবলগীয়া হয়। অৰ্থাৎ এনে এগৰাকী শিক্ষাৰ্থী বহুকেইটা পাঠৰ সম্পূৰ্ণ জ্ঞান নোহোৱাকৈয়ে শৈক্ষিক বৰ্ষ পাৰ কৰিব লগীয়াত পৰে। তদুপৰি ইংৰাজী মাধ্যমত অধ্যয়ন কৰা প্ৰায়সকল শিক্ষাৰ্থীয়ে অসমীয়া বিষয়টো টান পায় আৰু ভাষাটোৰ সম্পূৰ্ণ জ্ঞান আহৰণ নকৰাকৈয়ে পৰীক্ষাসমূহত উত্তীৰ্ণ হৈ শৈক্ষিক জীৱন শেষ কৰে। কিছুসংখ্যক অভিভাৱকে আকৌ নিজৰ ল'ৰা বা ছোৱালীৰ আগত কোনোবাই কিবা কথা ক'লে ইংৰাজীতে কিছুমান শব্দ কৈ দিলেহে বুজি পাব বুলি কয়। কাৰণ শিশুটিয়ে কিছুমান শব্দৰ অসমীয়া প্ৰতিশব্দ নাজানে। যি সময়ত আমাৰ নিজৰ ভাষা-সংস্কৃতি ৰক্ষাৰ নামত আন্দোলন কৰিবলগীয়া পৰ্যায় আহি পৰিছে তেনে সময়ত আমাৰ শিশুসকলক নিজৰ মাতৃভাষাটো এলাগি কৰি শৈক্ষিক জীৱন পাৰ কৰিবলৈ দিয়াটো কিমান যুগুত হ'ব তাক চিন্তা কৰাৰ সময় সমাগত। নিজ মাতৃভাষাত অধ্যয়ন কৰিও ইংৰাজী নাইবা অন্যান্য বিষয়তো বিশেষভাৱে সুখ্যাতি অৰ্জন কৰি বহুতেই নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা উদাহৰণ বহুত আছে। গতিকে আমি আমাৰ সন্তানসকলক শিকনৰ মাধ্যমৰ ক্ষেত্ৰত মূৰ নঘমাই কেনেকৈ তেওঁলোকৰ অধ্যয়নৰ প্ৰতি মনোযোগ আনিব পাৰি আৰু অধ্যয়ন কৰা আটাইকেইটা বিষয়ৰে সঁচা অৰ্থত সম্পূৰ্ণ জ্ঞান কেনেদৰে আয়ত্ত কৰিবলৈ সক্ষম হয় সেইটোতহে বেছি গুৰুত্ব দিয়া নিশ্চয় যুক্তিসংগত হ'ব। কাৰণ শৈক্ষিক জীৱনত সফলতা অৰ্জনৰ বাবে বিষয়ভিত্তিক জ্ঞানহে বেছি জৰুৰী বুলি সকলোৰে বিদিত। বিজ্ঞ লোকসকলেও সেয়ে কয়—"নিজ মাতৃভাষাতহে সকলো বিষয়ৰ সকলো কথা স্বতঃস্ফূৰ্তভাৱে হৃদয়ংগম কৰিব পাৰি।"

**উৎপল বৰকাকতি,**
অধ্যক্ষ, পাঠশালা শিক্ষাপীঠ,
ভট্টদেৱ নগৰ, পাঠশালা-৭৮১৩২৫,
বৰপেটা, ফোন ঃ ৯৪৩৫২৭৩৭৭৯

## ভেলৌঘাটৰ দুখস্মৃতি

চলিত বছৰৰ ১৫ মাৰ্চ তাৰিখে আমাৰ মহাবিদ্যালয়ৰপৰা এটি দল কাৰ্বি আংলং জিলাৰ এটা বিখ্যাত জলপ্ৰপাত আৰু জনপ্ৰিয় পৰ্যটন স্থান ভেলৌঘাটলৈ গৈছিলোঁ। অতি মনোমোহা সৌন্দৰ্যৰ স্থলী ভেলৌঘাটৰ প্ৰাকৃতিক দৃশ্যই বৰকৈ আকৰ্ষণ কৰিছিল আৰু মনটো ভৰি উঠিছিল নৈসৰ্গিক সেউজীয়া শোভাৰ মাজত, নিজৰাৰ পানীৰ শব্দত।

কিন্তু এটা ঘটনাই মনটোত বৰকৈ দুখ দিলে। জনসমাগমৰপৰা দূৰৰ পাহাৰীয়া হাবিতলীয়া ঠাইখনত বনৰীয়া পছুৰ মঙহৰ মুকলি বেহা দেখি বৰকৈ আচৰিত হ'লোঁ। এগৰাকী মহিলাই মুকলিকৈ পছুৰ মাংস প্ৰতি কিল'গ্ৰামত চাৰিশ টকাকৈ পৰ্যটকসকলক বিক্ৰী কৰি আছে। যি সময়ত চৰকাৰে বন্যপ্ৰাণীৰ সুৰক্ষাৰ কাৰণে কঠোৰ আইন প্ৰণয়ন কৰি কাৰ্যকৰী কৰিছে ঠিক তেনে সময়তেই এইখন অসমতে বন্যপ্ৰাণীৰ মুকলি বেহা চলি আছে। হয়তো বন বিভাগ বা পুলিছে এইবোৰৰ খবৰ নাপায় বা তেওঁলোকৰ গোপন অনুমোদন মৰ্মেই এইবোৰ চলি আছে।

**শৰৎ গগৈ,**
(ষষ্ঠ ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ, ফৰকাটিং মহাবিদ্যালয়, গোলাঘাট), মাৰফৎ ঃ বিদ্যা গগৈ, মাহিমেলীয়া গাঁও, হাবিচুকীয়া-৭৮৫৬০৩, ঘিলাধাৰী মৌজা, গোলাঘাট, ফোন ঃ ৬০০৩৭০৪৫৭৭
e-mail : saratgogoi203@gmail.com

## মৃত্যুৰ পাছতো জীয়াই থাকোঁ আহক

এজন সাধাৰণ মানুহৰ চিন্তাত মৃত্যুৰ পাছতো জীয়াই থকাটো অসম্ভৱ, কিন্তু মই ক'ব খোজোঁ যে মৃত্যুৰ পাছতো আমি বহু কাল জীয়াই থাকিব পাৰোঁ।

আমাৰ জীৱনবোৰত যদি ভালকৈ চকু ফুৰাওঁ আমি দেখা পাম যে এই জীৱনটোত বহুতৰে উদ্দেশ্য এটাই থাকে যে জীৱনটোত কিছু টকা উপাৰ্জন কৰাৰ বাবে এটা ভাল কাম, নিজৰ পৰিয়ালটোক ভালদৰে পোহ-পাল দিয়া, নিজৰ সন্তানক ভালদৰে পঢ়াশুনা কৰিবলৈ সুবিধা দি ভাল মানুহ হিচাপে গঢ়ি তোলা আৰু অৱশেষত নিজ সন্তানৰ টকাৰ উপাৰ্জনেৰে জীৱনটোত আগবাঢ়ি মৃত্যুলৈ বাট চোৱা। কিন্তু এয়াই জানো প্ৰকৃত জীৱন? মই এয়াই ক'ব খুজিছোঁ যে জীৱন মাথোঁ এটাই আমাৰ, যিটোক আমি উদযাপন কৰাও উচিত। যিসকলে উল্লিখিত উপায়ে জীৱন জীয়াব খোজে, তেওঁলোকে জীৱনটোত কেৱল নিজৰ স্বাৰ্থৰ কাৰণেহে জীয়াই থাকিল; সমাজৰ কোনো কামত নাহিল। যিহেতু আমাৰ এখন সমাজ আছে, সমাজৰ ভালৰ কাৰণেও চিন্তা কৰা উচিত আৰু নিজৰ পৰিয়ালটোৰ লগতে সমাজৰ হকেও কিছু কাম কৰিলে আপুনি মৃত্যুৰ পাছতো বহু কাল জীয়াই থাকিব পাৰিব। উদাহৰণস্বৰূপে, আমাৰ নৱপ্ৰজন্মই সংবাদ জগতৰ ভোটাতৰা হিচাপে জিলিকি থকা পৰাগ কুমাৰ দাসৰ কথাকেই সোঁৱৰালে গম পোৱা যায় যে নিৰ্ভীক সাংবাদিকতাৰ প্ৰতীক পৰাগ কুমাৰ দাসে মৃত্যুৰ ক্ষণলৈকে সংবাদকৰ্মী হিচাপে নিঃস্বাৰ্থভাৱে ৰাইজৰ সেৱা কৰিছিল। কিন্তু অতি দুখৰ বিষয় এয়াই যে কোনো দুৰ্বৃত্তৰ আক্ৰমণৰ বলি হোৱাৰ বাবে তেওঁৰ দৰে নিষ্ঠাৱান লোক এজন আজি আমাৰ মাজত জীয়াই নাই। তেওঁৰ যি কৰ্মই সমাজখনক এটা ভাল পথ দেখুৱাই গৈছে, তেওঁৰ নাম আমাৰ দৰে পাছৰ প্ৰজন্মৰ মুখতো সিঁচৰতি হৈ থাকিব। পৰাগ কুমাৰ দাস সৌশৰীৰে জীয়াই নাথাকিলেও আমাৰ মাজত জীয়াই থাকিব বহু কাললৈ। সেয়ে ক'ব খোজোঁ যে যিহেতু জীৱন মাথোঁ এটাই, এই ধৰালৈ আহিছোঁ যেতিয়া আমি এনে কিছুমান কাম এই জীৱনটোত কৰি যাওঁ আহক, যিটো কামৰপৰা সমাজখনৰ লাভ হয়, সমাজখন সুন্দৰৰূপে চলি যায়। তাৰ পাছতে আপুনিও মৃত্যুৰ পাছত বহু কাল জীয়াই থাকিব।

জুবিন গাৰ্গলৈ চাওক। জুবিন গাৰ্গ এজন মাথোঁ গায়কেই নহয়, তেওঁ নিঃস্বজনৰ কাৰণে ত্ৰাণকৰ্তাৰূপেও পৰিচয় লাভ কৰিছে। তেওঁ এজন প্ৰকৃতিপ্ৰেমীও। মানৱতাৰ অনন্য নিদৰ্শন জুবিন গাৰ্গ। জুবিন গাৰ্গে যদি এনেকৈয়ে ভৱিষ্যতেও সমাজৰ হকেই হওক বা প্ৰকৃতিৰ বাবেই হওক নিঃস্বাৰ্থভাৱে কাম কৰি যায়, আপোনালোকে চাব পাৰে আমাৰ পাছৰ প্ৰজন্মৰ মাজত জুবিন গাৰ্গ মৃত্যুৰ পাছতে বহু কাল জীয়াই থাকিব।

**সঞ্জীৱ সাগৰ দাস,**
গাঁও ঃ হৰিপুৰ, ভবানীপুৰ-৭৮১৩৫২,
বৰপেটা, ফোন ঃ ৮৭২১৯৫৭৫১৭